**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date :06-08-2025 **Time :** 1205Hrs.

## Assamese Midday Bulletin

বিটিচি নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। মনেনয়ন পত্ৰ পৰীক্ষাৰ অন্তত ৪০টা সমষ্টিত ৩৮২ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ হিচাপে বিবেচিত হৈছে।

ৰাজনৈতিক দলসমূহে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিটিআৰৰ অন্তৰ্গত জিলাকেইখনত ৰাজনৈতিক দলসমূহে সভা, সমদলৰ জৰিয়তে ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে। মন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা ৰঞ্জিত কুমাৰ দাসে আজি বাক্সা জিলাৰ দাওধাৰাত ককলাবাৰী পৰিষদীয় সমষ্টিৰ যোগদান কাৰ্যসূচীত অংশ ল'ব। ইপিনে মন্ত্ৰী তথা জেষ্ঠ্য বিজেপি নেতা পীযূষ হাজৰিকাই ওডালগুৰি জিলাত বিটিআৰ নিৰ্বাচনৰ এখন প্ৰস্তুতিমূলক সভাত অংশ লয়। এই কাৰ্যসূচীত ওডালগুৰি জিলাৰ বিজেপিৰ এটা অস্থায়ী কাৰ্যালয় মুকলি কৰা হয়। বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য তথা ইউ পি পি এলৰ নেতা প্ৰমোদ বড়োৱে কালি গয়বাৰী সমষ্টিত প্ৰচাৰ চলায়।

বিটিচি নিৰ্বাচনত বিজেপিয়ে ৩০ খন আসন জয়ৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই প্ৰকাশ কৰিছে। এইবাৰ বিজেপিয়ে পৰিষদীয় নিৰ্বাচনত ৩০টা সমষ্টিত প্ৰাৰ্থী দিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে এই নিৰ্বাচনত দলটোৱে চৰকাৰ গঠনৰ লক্ষ্যৰে আগবাঢ়িছে।

০০০০০.

আধাৰ কাৰ্ড আবেদনৰ বাবে ৰাজ্য চৰকাৰৰ পৰ্টেলৰ সংশোধিত এছ অ' পি অনুমোদন জনোৱা হৈছে। এই অনুসৰি ১৮ বছৰৰ অধিক নাগৰিকে নতুনকৈ আধাৰ কাৰ্ড লাভ নকৰে। অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু চাহ জনগোষ্ঠীৰ বাবে এবছৰলৈ এই নিয়মাৱলী প্ৰযোজ্য নহয়। অৱশ্যে বিৰলতকৈ বিৰল ঘটনাৰ ক্ষেত্ৰত জিলা আয়ুক্তসকলক আধাৰ আবেদনৰ কৰ্তৃত্ব প্ৰদান কৰা হৈছে। এই নতুন নিয়মৰ জৰিয়তে সন্দেহযুক্ত নাগৰিক আৰু অনুপ্ৰৱেশকাৰীয়ে আধাৰকাৰ্ড লাভ কৰাৰ আশংকা দূৰ কৰিব বিচৰা হৈছে। ০০০০

০০০০০

ৰাজ্য চৰকাৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ ষষ্ঠ সংযোজন সন্দৰ্ভত আনুষ্ঠিক অধিসূচনা জাৰি কৰিছে। পৰিবেশ, বন আৰু জলবায়ু পৰিবৰ্তন বিভাগে ১৯৭২ চনৰ বন্যপ্ৰাণী সংৰক্ষণ আইনৰ ৩৫-৪ ধাৰাৰ অধীনত জাৰি কৰা এই অধিসূচনা ততালিকে কাৰ্যকৰী হৈছে। এই নতুন সংযোজনৰ ভূমি গোলাঘাট, নগাওঁ, শোণিতপুৰ আৰু বিশ্বনাথলৈ সম্প্ৰসাৰিত হৈ আছে। অধিসূচনাখনত ব্ৰহ্মপুত্ৰৰ মূল সুঁতিৰে নাও আৰু জাহাজৰ চলাচল ব্যাহত নহয় বুলি স্পষ্ট কৰি দিয়া হৈছে।

০০০০০

বিশ্ববন্দিত শিল্পী ড০ ভূপেন হাজৰিকাৰ বছৰজোৰা জন্ম শতবাৰ্ষিকীৰ উদ্বোধনী অনুষ্ঠানৰ প্ৰস্তুতি সন্দৰ্ভত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই কালি বিভাগটোৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন

বৈঠকত মিলিত হয়। বৈঠকত ৰাজ্যৰ ভিন ভিন ঠাইৰ পৰা ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰিবলৈ গুৱাহাটীলৈ আহিবলগীয়া শিল্পী তথা অতিথিসকলৰ আপ্যায়নকে ধৰি বিভিন্ন বিষয়ত আলোচনা কৰা হয়। এই অনুষ্ঠান সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে বৈঠকত লোকনিৰ্মাণ বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, অসম বিদ্যুৎ বিতৰণ কোম্পানী লিমিটেডকে ধৰি অন্যান্য বিভাগসমূহৰ কাম-কাজৰো পৰ্যালোচনা কৰা হয়।

উল্লেখযোগ্য যে সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ উদ্বোধনী অনুষ্ঠানত ৰাজ্যৰ এহেজাৰ শিল্পীয়ে তেওঁৰ ১৪টা গীত আৰু কবিতা পৰিৱেশন কৰিব। এই অনুষ্ঠানতে শিল্পীগৰাকীৰ এটি স্মাৰক মুদ্ৰা আৰু এখন জীৱনী গ্ৰন্থও উন্মোচন কৰা হ'ব। এই উপলক্ষে অহা ১৩ ছেপ্তেম্বৰত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া উদ্বোধনী অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থাকিব। পৰৱৰ্তী সময়ত কলকাতা, মুম্বাই, নতুন দিল্লী আৰু অৰুণাচল প্ৰদেশকে ধৰি দেশৰ ভিন ভিন স্থানত ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ অনুষ্ঠান আয়োজন কৰা হ'ব। খানাপাৰাৰ অনুষ্ঠান উপভোগ কৰিবলৈ আগ্ৰহী লোকৰ বাবে ৰাজ্য চৰকাৰে এটা প'ৰ্টেল মুকলি কৰা হৈছে। ৮ ছেপ্তেম্বৰৰ নিশা ১২ বজাৰ ভিতৰত আগ্ৰহীসকলে এই প'ৰ্টেলত নিজৰ সবিশেষ দাখিল কৰি নাম পঞ্জীয়ন কৰিব পাৰিব।

০০০০০০০

ৰাজ্য চৰকাৰৰ মাতৃ-পিতৃ বন্দনা আঁচনিৰ অধীনত ৰাজ্যিক কৰ্মচাৰীসকলৰ বাবে বিশেষ নৈমিত্তিক ছুটী মঞ্জুৰ কৰা হৈছে। এই সন্দৰ্ভত  সাধাৰণ প্ৰশাসন বিভাগে জাৰি কৰা নিৰ্দেশ অনুসৰি অহা ১৪ আৰু ১৫ নৱেম্বৰত কৰ্মচাৰীসকলে এই বিশেষ নৈমিত্তিক ছুটী লাভ কৰিব। কৰ্মচাৰীসকলে ১৬ নৱেম্বৰ অৰ্থাৎ দেওবাৰৰ দিনটোও মাতৃ-পিতৃ বন্দনাৰ বাবে ব্যৱহাৰ কৰিব পাৰিব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োঁতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়াত অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কীয় ১ মিনিটৰ বাতৰিৰ অ'ডিঅ' মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি ২৪ ছেপ্তেম্বৰৰ পূৰ্বে এম-পি থ্ৰী ৰূপত হোৱাট্ছএপযোগে পঠিয়াব লাগিব। হোৱাট্ছএপ নম্বৰকে ধৰি প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে আমাৰ ফেচবুক পেজ এ আই আৰ নিউজ গুৱাহাটী চাব পাৰে।

০০০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় শগুণ সজাগতা দিৱস। পৰিৱেশতন্ত্ৰত শগুণৰ অৱদান, ইযাৰ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতিবছৰে ছেপ্তম্বৰত প্ৰথমটো শনিবাৰত এই দিৱস পালন কৰা হয়। ০০০০০

ৰাজ্য চৰকাৰে বিটিচি নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিটিচিৰ অন্তৰ্গত পাঁচখন জিলা- কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওডালগুৰি জিলাত অহা ২২ ছেপ্তেম্বৰৰ দিনটো নেগ'চিয়েবল ইনষ্ট্ৰুমেণ্টচ এক্টৰ অধীনত বন্ধৰ দিন হিচাপে ঘোষণা কৰিছে।

০০০০০০০